যেতিয়া তোমালোকৰ মাজৰ কোনোবাই পেটৰ মাজত কিবা অনুভৱ কৰে, ইয়াৰ পিছত তাৰ মনত সন্দেহ হয় যে, কিবা ওলালেই নেকি। তেনেকুৱা ব্যক্তিয়ে কেতিয়াও মছজিদ ত্যাগ কৰা উচিত নহয়, যেতিয়ালৈকে সি কোনো শব্দ নুশুনিব অথবা গোন্ধ নাপাব।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যেতিয়া তোমালোকৰ মাজৰ কোনোবাই পেটৰ মাজত কিবা অনুভৱ কৰে, ইয়াৰ পিছত তাৰ মনত সন্দেহ হয় যে, কিবা ওলালেই নেকি। তেনেকুৱা ব্যক্তিয়ে কেতিয়াও মছজিদ
ত্যাগ কৰা উচিত নহয়, যেতিয়ালৈকে সি কোনো শব্দ নুশুনিব অথবা গোন্ধ নাপাব।"
[ছহীহ] [(মুছলিম)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, যদি কোনো মুচল্লীৰ পেটত কিবা অনুভৱ হোৱাৰ পিছত সি সন্দেহত পতিত হয় যে, কিবা ওলালেই নেকি? তেনেকুৱা ব্যক্তিয়ে কেৱলমাত্ৰ সন্দেহৰ বশৱৰ্তী হৈ নামাজ ভংগ কৰি পুনৰ অজু কৰাৰ প্ৰয়োজন নাই। কিন্তু হয়, যদি অজু ভংগ হৈছে বুলি সি নিশ্চিত হয় তেন্তে বিষয়টো সুকীয়া। অৰ্থাৎ যদি বায়ু ওলোৱাৰ শব্দ পায়, অথবা গোন্ধ পায়। কিয়নো সন্দেহৰ বশৱৰ্তী হৈ য়াক্বীনক নাকচ কৰিব নোৱাৰি। যিহেতু সি যে অজু কৰিছে এইটো নিশ্চিত, কিন্তু অজু ভংগ হৈছে নে নাই এইটোহে সন্দেহযুক্ত।

http://www.sunnah.global/hadeeth/as/show/65083